জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১০/২০২০

# বিশিষ্ট ৰাজনীতিবিদ, প্ৰাক্তন ৰাজ্যপাল তথা শিক্ষাবিদ দেবানন্দ কোঁৱৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৫ এপ্ৰিল ঃ** বিশিষ্ট ৰাজনীতিবিদ, প্ৰাক্তন ৰাজ্যপাল তথা শিক্ষাবিদ দেবানন্দ কোঁৱৰৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত কোঁৱৰে অসমৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বিহাৰ, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ ৰাজ্যপাল হিচাপে সাংবিধানিক দায়িত্ব পালন কৰাৰ উপৰি অসম চৰকাৰৰ এগৰাকী মন্ত্ৰী হিচাপেও ৰাজ্যৰ উন্নয়নৰ ক্ষেত্ৰত তেখেতে যথেষ্ট অৱদান আগবঢ়াই গৈছে। এগৰাকী শিক্ষাবিদ হিচাপেও তেখেতে শিক্ষাখণ্ডলৈও যথেষ্ট বৰঙনি আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ ৰাজ্যখনৰ ৰাজনৈতিক তথা সামাজিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত দেবানন্দ কোঁৱৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বীঃগঃ**
**২৫/০৪/২০২০**